**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-1-2025 **Time :** 0755Hrs.

## *Assamese Morning Bulletin*

অৰুণাচল প্ৰদেশৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে এতিয়াৰেপৰা তিনিচুকীয়া জিলাৰ নিয়োগ বিনিময় কেন্দ্ৰত নামপঞ্জীয়ন কৰিব পাৰিব। ইয়াৰ বাবে চুবুৰীয়া ৰাজ্যখনত বাস কৰা মৰাণ জনগোষ্ঠী লোকসকলৰ অসম চৰকাৰে জাৰি কৰা স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ অন্যান্য পিছপৰা জাতিৰ প্ৰমাণ পত্ৰ থাকিব লাগিব। একেদৰে, ৰাজ্যৰ চুতীয়া জনগোষ্ঠীৰ বাবে ৰাজ্যৰ অসামৰিক সেৱা আৰু অসম আৰক্ষী সেৱাৰ কনিষ্ঠ পদবীৰ বাবে এটাকৈ পদ সংৰক্ষিত থাকিব। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰী গোটৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মন্ত্ৰী গোটৰ বৈঠকখনত গ্ৰহণ কৰা এই সিদ্ধান্তৰ লগতে অন্যান্য সিদ্ধান্ত সমূহ মুখ্যমন্ত্ৰী ড০ শৰ্মাই এখন সংবাদমেল যোগে প্ৰকাশ কৰে। কালিৰ বৈঠকত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন নিধিৰ অধীনত দুগ্ধ প্ৰসংস্কৰণ উদ্যোগ নিৰ্মাণ,পশু চিকিৎসা প্ৰকল্প, গ্ৰাম্য পথ উন্নীতকৰণ আৰু ৰাজহুৱা শৌচালয় নিৰ্মাণৰ বাবে মুঠ ২০০ কোটি ৩৬ লাখ টকাৰ ২৭ টা প্ৰকল্পৰ বাবে অনুমোদন জনোৱা হয়। ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অধীনৰ সংৰক্ষিত গাঁৱলীয়া চৰণীয়া পথাৰৰ ভূমিৰ সংৰক্ষণ বাতিল কৰি সেই ভূমি খিলঞ্জীয়া পৰিয়াল আৰু ৰাজহুৱা ব্যৱহাৰৰ ক্ষেত্ৰত আৱণ্টন কৰাৰ বাবে কেবিনেটে অনুমোদন জনায়। পঞ্চায়ত সদস্যসকলৰ চিকিৎসাৰ ক্ষেত্ৰত চিকিৎসা ব্যয় পৰিশোধৰ সুবিধা প্ৰদান কৰাৰ প্ৰস্তাৱক কালিৰ কেবিনেট বৈঠকে অনুমোদন জনায়। এই আঁচনিৰ জৰিয়তে ৩০ হাজাৰৰো অধিক পঞ্চায়ত সদস্য উপকৃত হ'ব।

**-বাইট-(মুখ্যমন্ত্ৰী)**

কালিৰ এই বৈঠকতে নগৰ আৰু উপকণ্ঠ এলেকাৰ ভিতৰত থকা শ্ৰমিক লাইনৰ চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে সম্পত্তি হস্তান্তকৰণৰ আইনী প্ৰক্ৰিয়াক ন্যায় সংগত কৰাৰ লগতে এই ক্ষেত্ৰত শিথিলতা অনাৰ বাবেও অনুমোদন জনোৱা হয়।

oooooooo

অসম সচিবালয়ৰ ভিতৰত নিৰ্মীয়মান প্ৰেক্ষাগৃহ অহা ছমাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব আৰু এই প্ৰেক্ষাগৃহত অনাগত সময়ত ৰাজ্যখনৰ সকলো চৰকাৰী অনুষ্ঠানৰ আয়োজন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ মুকলি কৰি এই কথা প্ৰকাশ কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সম্পূৰ্ণৰূপে ৰাজহুৱা অনুষ্ঠানৰ বাবে উৎসৰ্গা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কালি মুকলি কৰা নতুন প্ৰেক্ষাগৃহটিয়ে ৰাজ্যৰ সাংস্কৃতিক পৰিকাঠামোক অধিক শক্তিশালী কৰি তুলিব। তেওঁ কয়, যে শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৱোগত কৰি অসম চৰকাৰে বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় স্থাপনেৰে সঁচা অৰ্থত বৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰচেষ্টা চলাই আহিছে। এই ক্ষেত্ৰত তেওঁ জনসাধাৰণৰ সহযোগিতা কামনা কৰে।

কলাক্ষেত্ৰত থকা শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ প্ৰেক্ষাগৃহ নৱনিৰ্মাণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা শ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব। কালিৰ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমৰ লোক সংস্কৃতিলৈ চিৰযুগমীয়া অৱদান আগবঢ়োৱা প্ৰতিমা বৰুৱা পাণ্ডেৰ অৱদানক স্বীকৃতি দিয়াৰ বাবে তেওঁৰ স্মৃতি বিজড়িত গৌৰীপুৰৰ মাটিয়াবাগৰ প্ৰাসাদ সংৰক্ষণ, মেৰামতি আৰু সংগ্ৰহালয় সংযোজনৰ পদক্ষেপ লোৱা হ'ব বুলিও ঘোষণা কৰে।

oooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিগবৈ আৰু চৰাইদেউ জিলাৰ মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেকসমূহ বিতৰণ কৰে। মাহমৰা বিধানসভা সমষ্টিৰ গৰৈমাৰী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত কাৰ্যসূচীত সমষ্টিটোৰ ২৫ হাজাৰ ৫৫১ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ আঁচনিৰ প্ৰথম কিস্তিৰ ধনৰ চেক আগবঢ়োৱা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলাসকলক চৰকাৰে আগবঢ়োৱা ধনৰ অপব্যৱহাৰ নকৰি মূলধন হিচাপে লৈ ক্ষুদ্ৰ ব্যৱসায় গঢ়ি তুলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে মাহমৰা সমষ্টিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ আঁচনিৰ কাম শুভাৰম্ভ কৰাৰ লগতে নতুন আঁচনিৰ আধাৰশিলাও স্থাপন কৰে।

oooooooo

সমাপ্ত